# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 20-07-2025
**Time :** 1845 HRS

# *Assamese Evening Bulletin*
## Headlines
-------------------

১।　সংসদৰ বৰ্ষাকালীন অধিৱেশনৰ পূৰ্বে আজি নতুন দিল্লীত  সৰ্বদলীয় বৈঠক অনুষ্ঠিত।

২।　দুগ্ধ সমবায় সমিতি পূৰবী ডেইৰীৰ উৎপাদন ক্ষমতা তিনি লাখ লিটাৰলৈ বৃদ্ধিৰ লক্ষ্যৰে আজি মুখ্যমন্ত্ৰীৰ ইয়াৰ সম্প্ৰসাৰণ প্ৰকল্পৰ আধাৰশিলা স্থাপন।

৩।　ন্যায়াধীশ আশুতোষ কুমাৰৰ কাইলৈ গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ হিচাপে শপতগ্ৰহণ।

৪।　গুৱাহাটী শিশু মহোৎসৱৰ আজি সফল সামৰণি।

*আৰু*

৫।　ৰায়পুৰত অনুষ্ঠিত ছিনিয়ৰছ এণ্ড মাষ্টাৰ্ছ কিক-বক্সিং চেম্পিয়নশ্বিপত অসমৰ সোণেশ্বৰ বড়াৰ ব্ৰঞ্জৰ পদক জয়।

০০০০০

সংসদৰ বৰ্ষাকালীন অধিৱেশনৰ পূৰ্বে আজি নতুন দিল্লীৰ সংসদ ভৱনত এখন সৰ্বদলীয় বৈঠক অনুষ্ঠিত হয়। সংসদৰ উভয় সদনৰ কামকাজ সুচাৰুৰূপে চলাই নিয়াৰ বাবে সকলো দলৰ সহযোগিতা কামনা কৰি চৰকাৰে  এই বৈঠকৰ আহ্বান জনাইছিল। লোকসভা আৰু ৰাজ্যসভাত প্ৰতিনিধিত্ব কৰা বিভিন্ন ৰাজনৈতিক দলৰ নেতাসকলে এই বৈঠকত অংশগ্ৰহণ কৰে। কেন্দ্ৰীয় মন্ত্ৰী তথা ৰাজ্যসভাত সদনৰ নেতা জগত প্ৰকাশ নাড্ডা, সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজু, সংসদীয় পৰিক্ৰমা দপ্তৰৰ ৰাজ্যমন্ত্ৰী অৰ্জুন ৰাম মেঘৱাল আৰু ড° এল মুৰুগানে বৈঠকত অংশ লয়। তদুপৰি কংগ্ৰেছৰ গৌৰৱ গগৈ আৰু প্ৰমোদ তিৱাৰী, এন চি পি-এছ্ চি পিৰ সুপ্ৰিয়া চুলে, ডি এম কেৰ তিৰুচি শিৱা আৰু টি আৰ বালু, আপৰ সঞ্জয় সিং আৰু সমাজবাদী পাৰ্টীৰ ৰাম গোপাল যাদৱ বৈঠকত উপস্থিত থাকে।

সংসদৰ বৰ্ষাকালীন অধিৱেশন কাইলৈ আৰম্ভ হ'ব আৰু ২১ আগষ্টলৈ চলিব। অধিৱেশনত মুঠ ২১ দিন বৈঠক অনুষ্ঠিত হ'ব।　বৈঠকৰ অন্তত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে কয়, যে এই বৈঠক অতি গঠনমূলক আছিল আৰু সদনৰ নেতাসকলে বৰ্ষাকালীন অধিৱেশনত উত্থাপন কৰিব বিচৰা বিষয়সমূহ দাঙি ধৰে। চৰকাৰে বিৰোধী দলসমূহক সদনৰ কামকাজ নিয়াৰিকৈ চলাই নিয়াটো নিশ্চিত কৰিবলৈ অনুৰোধ জনায় বুলি শ্ৰী ৰিজিজুৱে উল্লেখ কৰে। চৰকাৰে সদনত অপাৰেচন সিন্দূৰৰ দৰে গুৰুত্বপূৰ্ণ বিষয়সমূহ আলোচনা কৰিবলৈ আগ্ৰহী বুলিও তেওঁ প্ৰকাশ কৰে।

০০০০০

দুগ্ধ সমবায় সমিতি পূৰবী ডেইৰীৰ উৎপাদন ক্ষমতা তিনি লাখ লিটাৰলৈ বৃদ্ধি কৰাৰ লক্ষ্যৰে আজি পূৰবী ডেইৰীৰ চৌহদত ইয়াৰ সম্প্ৰসাৰণ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰা হয়। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই

এই প্ৰকল্পৰ ভূমিপূজন কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাজ্যৰ লাখ লাখ পৰিয়ালৰ বাবে সন্মানজনক জীৱিকা আগবঢ়োৱা অভিলাসী পদক্ষেপ হিচাপে এই প্ৰকল্পই অসমত শ্বেত বিপ্লৱৰ সূচনা কৰিব বুলি আশা প্ৰকাশ কৰে। ড০ শৰ্মাই আজি ৰাজ্যৰ দুগ্ধ প্ৰ-সংস্কৰণ প্ৰকল্পত গাখীৰ যোগান ধৰা গো-পালকসকললৈ ৰাজ সাহায্য প্ৰদান কাৰ্যসূচীৰো শুভাৰম্ভণি কৰে। গুৱাহাটীৰ পাঞ্জাবাৰীৰ শ্ৰীমন্ত শংকৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ দি মুখ্যমন্ত্ৰী ড০ শৰ্মাই ৰাজ্যত দৈনিক গাখীৰ উৎপাদনৰ পৰিমাণ বৃদ্ধিৰ বাবে চৰকাৰে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপত আলোকপাত কৰে। তেওঁ গুজৰাট আৰু কৰ্ণাটকৰ দুগ্ধ সমবায় সমিতিসমূহৰ জৰিয়তে দুগ্ধৰ উৎপাদন বৃদ্ধিৰ উদাহৰণো দাঙি ধৰে। দুগ্ধ প্ৰ-সংস্কৰণ প্ৰকল্পত গাখীৰ যোগান ধৰা গো-পালকসকললৈ ৰাজ সাহায্য প্ৰদানৰ এই আঁচনিৰ প্ৰথম পৰ্যায়ত ৫৪২ খন দুগ্ধ সমবায় সমিতি আৰু ১৯ হাজাৰ ৩০ গৰাকী দুগ্ধ উৎপাদক উপকৃত হ'ব বুলি তেওঁ কয়।

*(বাইট ঃ মুখ্যমন্ত্ৰী)*

আজিৰ অনুষ্ঠানত পশু পালন আৰু পশু চিকিৎসা বিভাগৰ মন্ত্ৰী কৃষ্ণেন্দু পাল, সমবায় মন্ত্ৰী যোগেন মহন, অসম চৰকাৰৰ মুখ্য সচিব ড০ ৰবি কোটা, ৰাষ্ট্ৰীয় দুগ্ধ উন্নয়ন পৰিষদৰ অধ্যক্ষ ড০ মিনিছ্ শ্বাহকে ধৰি বিভাগীয় বিষয়াসকল উপস্থিত থাকে। উল্লেখযোগ্য যে, ৰাজ্য চৰকাৰে দুগ্ধ খণ্ডৰ উন্নয়নৰ বাবে ভালেমান পদক্ষেপ গ্ৰহণ কৰিছে। এই অনুসৰি অসম দুগ্ধ উন্নয়ন পৰিকল্পনাৰ অধীনত দৈনিক ১০ লাখ লিটাৰ গাখীৰৰ প্ৰ-সংস্কৰণৰ বাবে ৰাজ্য চৰকাৰ আৰু ৰাষ্ট্ৰীয় দুগ্ধ উন্নয়ন পৰিষদৰ যৌথ অংশীদাৰিত্বত এন ই ডি এফ এল নামৰ এটা কোম্পানীৰ পঞ্জীয়ন কৰা হৈছে। যোৰহাট আৰু ডিব্ৰুগড়ত প্ৰতিদিনে এক লাখ লিটাৰ আৰু ধেমাজিত প্ৰতিদিনে ৫০ হাজাৰ লিটাৰৰ তিনিটা বৃহৎ গাখীৰ প্ৰ-সংস্কৰণ প্ৰকল্প স্থাপনৰ বাবে এই প্ৰতিষ্ঠানটোক ভূমি আৰু প্ৰাৰম্ভিক কামকাজৰ বাবে তিনি কোটি টকাৰ আবণ্টন দিয়া হৈছে। তদুপৰি বীজ ধন আঁচনিৰ অধীনত ১৪৪ খন দুগ্ধ সমবায় সমিতিৰ গো-পালকক সাহায্য প্ৰদানৰ লগতে স্থানীয়ভাৱে গঠন হোৱা ১৫ খন এনে সমিতিক যাৱতীয় সঁজুলি প্ৰদান কৰা হৈছে।

০০০০০

জাগীৰোড আৰু গুজৰাটৰ চেমিকনডাক্টৰ প্ৰকল্পত ছীপছ উৎপাদন কৰাৰ বাবে টাটা ইলেকট্ৰনিক্সে জাৰ্মান ইঞ্জিনিয়াৰিং কোম্পানী ৰবাৰ্ট বছ্ জি এম বি এইচৰ সৈতে চুক্তিবদ্ধ হৈছে। এই সহযোগিতা চুক্তিৰ আধাৰত টাটা ইলেকট্ৰনিক্সৰ সৈতে লগ লাগি কোম্পানীটোৱে অসম আৰু গুজৰাটত স্থাপন হ'বলগীয়া ছেমিকনডাক্টৰ উদ্যোগত পেকেজিং আৰু উৎপাদনৰ উপৰি যন্ত্ৰাংশৰ একত্ৰিকৰণ আৰু পৰীক্ষণ উদ্যোগ স্থাপন কৰিব। টাটা ইলেকট্ৰনিক্সৰ মুখ্য কাৰ্যবাহী বিষয়া তথা পৰিচালন সঞ্চালক ৰণধীৰ ঠাকুৰ আৰু বছ্ কোম্পানীৰ কাৰ্যবাহী উপাধ্যক্ষ দিৰ্ক ক্ৰেছে এই বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে। উল্লেখযোগ্য যে জাগীৰোডত টাটাৰ উদ্যোগত ছেমিকনডাক্টৰ উদ্যোগ স্থাপনৰ কাম পূৰ্ণ গতিত আগবাঢ়িছে। এয়া হ'ব দেশৰ প্ৰথমটো ঘৰুৱাভাৱে উৎপাদিত গ্ৰীনফিল্ড ছেমিকনডাক্টৰ যন্ত্ৰাংশৰ একত্ৰিকৰণ আৰু পৰীক্ষণ উদ্যোগ।

০০০০০

পাটনা উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ আশুতোষ কুমাৰে কাইলৈ গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ হিচাপে শপতগ্ৰহণ কৰিব। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই পুৱা ১০ বজাত গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত হ'বলগীয়া এটা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত ন্যায়াধীশগৰাকীক পদ আৰু গোপনীয়তাৰ শপত বাক্য পাঠ কৰোৱাব। কেন্দ্ৰীয় চৰকাৰে যোৱা ১৪ জুলাইত ন্যায়াধীশ আশুকোষ কুমাৰক গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ হিচাপে নিযুক্তি দিছিল।

০০০০০

নিৰ্ভীক সাংবাদিক বুলন কুমাৰ শইকীয়া স্মৃতিৰক্ষা সমিতিৰ উদ্যোগত সংকলিত বহিমিয়ান বুলন নামৰ স্মৃতিগ্ৰন্থখন আজি আনুষ্ঠানিকভাৱে উন্মোচন কৰা হয়। এই উপলক্ষে সাংবাদিকগৰাকীৰ নাহৰকটীয়াৰ দীঘলাপথাৰৰ বাসগৃহত আয়োজিত এটা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত বিশিষ্ট সাংবাদিক মনোৰম গগৈয়ে গ্ৰন্থখন আনুষ্ঠানিকভাৱে উন্মোচন কৰে। এই উপলক্ষে দিয়া ভাষণত শ্ৰীগগৈয়ে বুলন শইকীয়াৰ আত্মনিৰ্ভৰশীল অৰ্থনীতিৰ সপোনৰ কথা উল্লেখ কৰে আৰু তেওঁৰ সকলো কৰ্ম তথা সৃষ্টিত এই চিন্তাধাৰাৰ প্ৰতিফলন ঘটিছিল বুলি মন্তব্য কৰে। টিংখং মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ তথা প্ৰাক্তন বিধায়ক অনুপ ফুকনৰ সভাপতিত্বত অনুষ্ঠিত এই সভাত অসম বিধানসভাৰ প্ৰাক্তন অধ্যক্ষা প্ৰণতি ফুকন, অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণ জ্যোতি গগৈ, ধৰ্মীয় গুৰু ধৰ্মপদ ভাণ্টে আৰু আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰকে ধৰি কেইবাগৰাকীও বিশিষ্ট বক্তাই বুলন কুমাৰ শইকীয়াৰ বহুমুখী প্ৰতিভাৰ বিভিন্ন দিশৰ বিষয়ে আলোকপাত কৰে।

০০০০০

অসম প্ৰকাশন পৰিষদে চানমাৰিস্থিত অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠান খেলপথাৰত পোনপ্ৰথমবাৰৰ বাবে অনুষ্ঠিত কৰা গুৱাহাটী শিশু মহোৎসৱৰ আজি সফল সামৰণি পৰে। এই মহোৎসৱৰ সময়ছোৱাত প্ৰতি দিনে শতাধিক শিশু চেমনিয়াৰ মাজত যোগাসন, কলা সংস্কৃতিৰ কৰ্মশালা, চলচ্চিত্ৰ প্ৰদৰ্শন আৰু গ্ৰন্থমেলাৰ আয়োজন কৰা হয়। আজিৰ সামৰণি অনুষ্ঠানত অংশগ্ৰহণ কৰি অসম প্ৰকাশন পৰিষদৰ উপাধ্যক্ষ, বিশিষ্ট অভিধান প্ৰণেতা সুমন্ত চলিহাই প্ৰতিটি শিশুৱে প্ৰতিভাশালী আৰু প্ৰত্যেকৰে বেলেগ বেলেগ প্ৰতিভা থাকে বুলি মন্তব্য কৰে। শিশু মহোৎসৱৰ জৰিয়তে অসম প্ৰকাশন পৰিষদে শিশুসকলৰ প্ৰতিভা বিকাশৰ বাবে প্ৰয়োজনীয় প্ৰশিক্ষণ প্ৰদান কৰিছে বুলিও তেওঁ কয়। অনুষ্ঠানত ভাষণ দি অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ অধ্যক্ষ ড০ অৰূপ কুমাৰ মিশ্ৰই যোগাসন, অভিনয়, মুকাভিনয়, সংগীত, নৃত্যৰ কৰ্মশালা আৰু মনোগ্ৰাহী সাংস্কৃতিক কাৰ্যসূচীৰে শিশু মহোৎসৱে আশাৰ বতৰা কঢ়িয়াই আনিছে বুলি উল্লেখ কৰে। অসম প্ৰকাশন পৰিষদৰ সচিব প্ৰমোদ কলিতাই মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত আৰু শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ পৰামৰ্শ অনুসৰি গুৱাহাটী শিশু মহোৎসৱৰ আয়োজন কৰা হয় বুলি জানিবলৈ দিয়ে।

০০০০০

ৰাজ্যৰ কেইবাখনো জিলাত বৰষুণৰ পৰিমাণ স্বাভাৱিক হাৰতকৈ কম হোৱাৰ ফলত খৰাং সদৃশ পৰিস্থিতিৰ উদ্ভৱ হোৱাৰ বিষয়টো ৰাজ্য চৰকাৰে গুৰুত্ব সহকাৰে বিবেচনা কৰিছে। কৃষি মন্ত্ৰী অতুল বৰাই আজি সামাজিক মাধ্যমৰ এটা বাৰ্তাত এইদৰে প্ৰকাশ কৰি কয়, যে ইতিমধ্যে ওদালগুৰি, কামৰূপ, দৰং, গোলাঘাট, মাজুলীকে ধৰি বিভিন্ন জিলাৰ কৃষি বিষয়াসকলে কৃষিভূমিসমূহ পৰিদৰ্শন কৰি পৰিস্থিতিৰ মূল্যায়ন কৰিছে। কৃষি বিষয়াসকলে এই পৰিদৰ্শনকালত কৃষকসকলৰ সৈতে মত বিনিময় কৰি তেওঁ লোকক সহায়ৰ আশ্বাস দিয়ে।

উল্লেখযোগ্য যে, ৰাজ্যৰ ২৫ খন জিলাত যোৱা ১ জুনৰ পৰা কালিলৈকে বৰষুণৰ পৰিমাণ ৪৩ শতাংশ হ্ৰাস পোৱাত খৰাংসদৃশ পৰিস্থিতিৰ সৃষ্টি হৈছে বুলি বতৰ বিজ্ঞান বিভাগে প্ৰকাশ কৰিছে। শেহতীয়াকৈ মন্ত্ৰীসভাৰ বৈঠকত খৰাং পীড়িত কৃষকসকলক চৰকাৰে ক্ষতিপূৰণ দিব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰিছিল। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে, ৰাজ্য চৰকাৰৰ মুখ্য সচিব ৰবি কোটাই কালি জিলাসমূহৰ আয়ুক্তসকলৰ সৈতে খৰাং সদৃশ পৰিস্থিতিৰ বুজ লোৱাৰ উদ্দেশ্যে এখন বৈঠকত মিলিত হয়।

০০০০০

চিৰাং জিলা মহিলা আৰু শিশু উন্নয়ন বিভাগৰ উদ্যোগত আজি কাজলগাঁওস্থিত জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত আয়োজিত এটা অনুষ্ঠানত কেবিনেট মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই জিলাখনৰ অংগনবাড়ী কৰ্মীসকলক স্মাৰ্ট মোবাইল ফোন প্ৰদান কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। জিলাখনৰ মুঠ এহেজাৰ ২৯ গৰাকী অংগনবাড়ী কৰ্মীক স্মাৰ্ট মোবাইল ফোন প্ৰদান কৰা হ'ব। এই অনুষ্ঠানতে চিৰাং জিলাৰ মুঠ ৫ হাজাৰ ১৩১গৰাকী জনজাতীয় লোকক বনাঞ্চলৰ ভূমি অধিকাৰৰ প্ৰমাণ-পত্ৰ প্ৰদান কৰা হয়। ইয়াৰ উপৰি মুখ্যমন্ত্ৰীৰ বিশেষ সাহায্য পুঁজিৰ পৰা চাৰিগৰাকী লোকক চিকিৎসা আৰু উচ্চ শিক্ষাৰ বাবে ২০ হাজাৰকৈ টকাৰ চেক প্ৰদান কৰা হয়। চিৰাঙৰ পানবাৰীত প্ৰগতিশীল কৃষক পদ্মশ্ৰী সৰ্বেশ্বৰ বসুমতাৰীলৈ কেন্দ্ৰীয় চৰকাৰে প্ৰেৰণ কৰা আয়ুষ্মান গোল্ডেন কাৰ্ডো মন্ত্ৰীগৰাকীয়ে এই অনুষ্ঠানতে প্ৰদান কৰে। অনুষ্ঠানত স্থানীয় বিধায়ক, বি টি চিৰ কাৰ্যবাহী সদস্য আৰু চিৰাং জিলাৰ আয়ুক্ত যতীন বৰাসহ ভালেসংখ্যক বিষয়া-কৰ্মচাৰী আৰু অংগনবাড়ী কৰ্মী উপস্থিত থাকে।

০০০০০

দক্ষিণ শালমাৰা মানকাচৰৰ ভাৰত-বাংলাদেশ সীমান্তৱৰ্তী কোকৰাদাঙা অঞ্চলত আজি পুৰাৰে পৰা ব্ৰহ্মপুত্ৰৰ খহনীয়াই ভয়াবহ ৰূপ লয়। আমাৰ মানকাচৰৰ সংবাদদাতাই জনোৱা মতে খহনীয়াৰ বাবে দুটা পৰিয়ালক নিৰাপদ ঠাইলৈ স্থানান্তৰ কৰা হয়। এই খহনীয়াই বাংলাদেশ সীমান্ত সংযোগী পথলৈ ভাবুকি কঢ়িয়াই আনিছে বুলি আমাৰ সংবাদদাতাই জনাইছে। মানকাচৰৰ বিধায়ক আমিনুল ইছলামে আজি খহনীয়াগ্ৰস্ত অঞ্চল পৰিদৰ্শন কৰি জলসম্পদ বিভাগৰ উচ্চ পদস্থ বিষয়াসকলৰ সৈতে মত বিনিময় কৰে। জলসম্পদ বিভাগে তাৎক্ষণিকভাৱে দুহেজাৰ জিঅ' বেগেৰে খহনীয়া প্ৰতিৰোধৰ চেষ্টা চলায়।

০০০০০

হোজাই জিলাৰ সদৰ শ্ৰীমন্ত শংকৰদেৱ নগৰত আজি দুৰ্যোগ ব্যৱস্থাপনা সন্দৰ্ভত এখন সজাগতা সভা অনুষ্ঠিত হয়। জিলা প্ৰশাসন, জিলা দুৰ্যোগ ব্যৱস্থাপনা কৰ্তৃপক্ষ, হোজাই উন্নয়ন মঞ্চ আৰু উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰৰ সৌজন্যত অনুষ্ঠিত এই সজাগতা সভাত জিলাখনৰ কেইবাটাও বিভাগৰ বিষয়া-কৰ্মচাৰী আৰু উদ্যোগৰ সৈতে জড়িত লোক উপস্থিত থাকে। সভাত বিশেষকৈ যিকোনো ঔদ্যোগিক প্ৰতিষ্ঠানত অগ্নিকাণ্ড সংঘটিত হ'লে সুৰক্ষাৰ ক্ষেত্ৰত ল'বলগীয়া ব্যৱস্থা, সাৱধানতা আদি সন্দৰ্ভত আলোচনা কৰা হয়। তদুপৰি গেছৰ ছিলিণ্ডাৰ অথবা বিদ্যুৎ পৰিবাহী তাঁৰত অগ্নি সংযোগ হ'লে গ্ৰহণ কৰিবলগীয়া সুৰক্ষা মূলক ব্যৱস্থাসমূহো প্ৰত্যক্ষভাৱে দেখুওৱা হয়।

০০০০০

বিশিষ্ট সাহিত্যিক পূণ্য শইকীয়ালৈ ২০২৫ বৰ্ষৰ ড০ ময়িদুল ইছলাম বড়া সাহিত্য বঁটা আগবঢ়োৱা হৈছে। বৰ অসমৰ প্ৰথমগৰাকী ডক্টৰেট তথা অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড০ ময়িদুল ইছলাম বড়াৰ স্মৃতিত প্ৰতি বছৰে এই বঁটা প্ৰদান কৰি অহা হৈছে। ড০ বৰাৰ ১২৬ সংখ্যক জন্ম বাৰ্ষিকীৰ সৈতে সংগতি ৰাখি শিৱসাগৰ প্ৰেছ ক্লাবত অহা ২২ ছেপ্তেম্বৰত হ'বলগীয়া এটা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত সাহিত্যিকগৰাকীক এই বঁটা প্ৰদান কৰা হ'ব বুলি শিৱসাগৰৰ পৰা আমাৰ সংবাদদাতাই জনাইছে।

০০০০০

মাজুলীৰ বিষ্ণুজ্যোতি সংগীত একাডেমীৰ উদ্যোগত ভকতিদুৱাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাঙ্গনত ১০ দিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত গ্ৰীষ্মকালীন সত্ৰীয়া নৃত্য আৰু অসমীয়া চিৰসেউজ গীতৰ কৰ্মশালাৰ আজি সামৰণি পৰে। এই কৰ্মশালাত অঞ্চলটোৰ প্ৰায় ৮৫গৰাকী প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে।

০০০০০

ছত্তিশগড়ৰ ৰায়পুৰত অনুষ্ঠিত ছিনিয়ৰছ্‌ এণ্ড মাষ্টাৰ্ছ কিক-বক্সিং চেম্পিয়নশ্বিপত অসমৰ সোণেশ্বৰ বড়াই ব্ৰঞ্জৰ পদক জয় কৰি ৰাজ্যখনলৈ গৌৰৱ কঢ়িয়াই আনিছে। অসম আৰক্ষীত কৰ্মৰত সোণেশ্বৰ বড়াই ৯৪ কিলোগ্ৰাম শাখাত এই পদক লাভ কৰে। উল্লেখযোগ্য যে ২০১৮ চনত আন্তঃৰাষ্ট্ৰীয় কিক-বক্সিং প্ৰতিযোগিতাটো তেওঁ পদক জয় কৰিছিল।

০০০০০

ধুবুৰীৰ অগ্ৰণী সামাজিক সংগঠন কল্পজ্যোতি ফাউণ্ডেচনে আজি জলাতংক ৰোগৰ প্ৰতিৰোধ আৰু ইয়াৰ সজাগতা অনাৰ উদ্দেশ্যে চহৰখনৰ পথত ঘূৰি ফুৰা কুকুৰবোৰক ৰেবিছ ভেকচিন প্ৰদান কৰে। ধুবুৰী চহৰৰ ২ নম্বৰ ৱাৰ্ড এলেকাত জিলা যুটীয়া স্বাস্থ্য বিভাগ আৰু বিলাসীপাৰাৰ ফ্ৰেণ্ডছ্‌ অব অল এনিমেল্‌ছ্‌ নামৰ এটি পশুপ্ৰেমী সংগঠনৰ সহযোগত এই প্ৰতিষেধক প্ৰদান কাৰ্যসূচী ৰূপায়ণ কৰা হয়। উল্লেখযোগ্য যে চহৰখনৰ ১৬টা ৱাৰ্ডতে পথৰ কুকুৰবোৰক ৰেবিছ ভেকচিন প্ৰদান কৰা হ'ব।

০০০০০

বৰপেটা জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত অনুষ্ঠিত ১৩ বছৰ অনুৰ্দ্ধৰ ল'ৰা আৰু ছোৱালী গ্ৰীষ্মকালীন ক্ৰিকেট প্ৰশিক্ষণ শিবিৰৰ আজি সামৰণি পৰে। এই উপলক্ষে বৰপেটা জিলা ক্ৰীড়া সন্থাৰ কাৰ্যালয়ত আয়োজিত সামৰণি অনুষ্ঠানত প্ৰাক্তন বিধায়ক গুণীন্দ্ৰ নাথ দাসে সভাপতিত্ব কৰে। কেইবাগৰাকীও অভিজ্ঞ প্ৰশিক্ষকে প্ৰশিক্ষণ প্ৰদান কৰা ১৫ দিনীয়া এই শিবিৰত ২০০গৰাকী ল'ৰা-ছোৱালীয়ে অংশগ্ৰহণ কৰে আৰু তেওঁলোকৰ মাজৰ পৰাই ৩০গৰাকীক পৰৱৰ্তী প্ৰশিক্ষণৰ বাবে বাছনি কৰা হয়।

০০০০০

অসম ক্ৰিকেট সন্থাৰ উদ্যোগত আয়োজিত ৰাধাগোবিন্দ বৰুৱা সোঁৱৰণী ১৬ বছৰ অনুৰ্ধ ল'ৰাৰ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ মধ্য অসম মণ্ডলৰ **গ্ৰুপ এ**ৰ খেলসমূহ আজিৰে পৰা মৰিগাঁও জিলাৰ ক্ষীৰোদ বৰুৱা ষ্টেডিয়ামত অনুষ্ঠিত হৈছে। মৰিগাঁও জিলাৰ ক্ৰীড়া সন্থাৰ আতিথ্যত আৰু ক্ৰিকেট উপ-সমিতিৰ তত্বাৱধানত অনুষ্ঠিত প্ৰতিযোগিতাখনৰ আজিৰ খেলত হোজাই জিলা ক্ৰীড়া সন্থাই কাৰ্বি আংলং জিলা ক্ৰীড়া সন্থাৰ বিৰুদ্ধে প্ৰথম ইনিংছত ২৩ ৰাণৰ অগ্ৰগতি লাভ কৰিছে।

০০০০০

কামৰূপ জিলাৰ হাজোত আজি অসম অলিম্পিক সন্থাৰ অনুমোদিত ছটোকাম কাৰাটে ড' অৰ্গেনাইজেছন অসমৰ উদ্যোগত কালাৰ বেল্ট পৰীক্ষা অনুষ্ঠিত হয়। প্ৰায় ডেৰ শতাধিক খেলুৱৈয়ে অংশগ্ৰহণ কৰা বেল্ট পৰীক্ষাৰ অন্তত উত্তীৰ্ণ খেলুৱৈসকলক বেল্ট প্ৰদান কৰা হয়।

০০০০০

সমাপ্ত